জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৭৯/২০২১

# বৃহৎ টিকাকৰণ অভিযানৰ অংশ হিচাপে অনুষ্ঠিত কৰা টিকাকৰণ শিৱিৰ পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১৭ ছেপ্টেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭১ তম জন্ম দিৱসৰ লগত সংগতি ৰাখি এদিনীয়া বৃহৎ টিকাকৰণ অভিযান তথা ৰাজ্য চৰকাৰে ৭,১০,০০০ ভেকচিন প্ৰদানৰ লক্ষ্যৰ লগত সংগতি ৰাখি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি আঠগাঁৱত অনুষ্ঠিত কৰা এটা টিকাকৰণৰ শিৱিৰ পৰিদৰ্শন কৰে। এই টিকাকৰণ শিৱিৰটো ৰাজ্য চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ সহযোগত মাৰোৱাৰী সন্মেলনৰ গুৱাহাটী শাখাই অনুষ্ঠিত কৰিছে। এই টিকাকৰণ শিৱিৰত প্ৰথম তথা দ্বিতীয় পালি ক'ভিডৰ টিকা প্ৰদানৰ দিশত যথোচিত ব্যৱস্থা গ্ৰহণ কৰা হৈছে। পৰিদৰ্শন কালত মুখ্যমন্ত্ৰী ড° শৰ্মাই মাৰোৱাৰী সন্মেলনৰ কৰ্তৃপক্ষক টিকাকৰণৰ শিৱিৰ অনুষ্ঠিত কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। এনেধৰণৰ শিৱিৰে ৰাজ্য চৰকাৰে বৃহৎ টিকাকৰণৰ বাবে যি ব্যৱস্থা গ্ৰহণ কৰিছে সেই লক্ষ্যত উপনীত হোৱাৰ দিশত বিশেষভাৱে সহায় কৰিব। তেওঁ লগতে কয় যে ৰাজ্যখনৰ যোগ্য সকলো শ্ৰেণীৰ জনসাধাৰণক টিকাকৰণৰ ক্ষেত্ৰত সামাজিক সংস্থাসমূহৰ সক্ৰিয় অংশগ্ৰহণৰ বিশেষভাৱে প্ৰয়োজন। মাৰোৱাৰী সন্মেলনৰ লেখীয়া পদক্ষেপে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা টিকাকৰণৰ লক্ষ্য পূৰণৰ দিশত বিশেষভাৱে সহায় কৰিব বুলিও তেওঁ কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্ম দিনটোক সেৱা আৰু সমৰ্পণ দিৱস হিচাপে পালন কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই মাৰোৱাৰী সন্মেলনৰ এনে পদক্ষেপে এই দিৱসৰ তাৎপৰ্য বিশেষভাৱে বহন কৰিছে বুলিও কয়।

**সুঃদঃ / বঃভাঃ**
**১৭-০৯-২০২১**